# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 03-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। সংসদত চৰকাৰ আৰু বিৰোধী দলসমূহে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ লগতে নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত আলোচনাৰ বাবে সন্মত হোৱাৰ পাছত দুয়োপক্ষৰ মাজৰ অচলাৱস্থা দূৰ হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি নৌসেনাৰ অভিযানমূলক প্ৰদৰ্শনীত অংশগ্ৰহণৰ উদ্দেশ্যে তিৰুৱন্তপুৰমলৈ যাব।

৩। ভাৰতত যক্ষ্মা ৰোগত মৃত্যু হোৱাৰ লোকৰ হাৰ ২০১৫ চনত প্ৰতি ১ লাখত ২৮ জনৰ পৰা ২০২৪ চনত প্ৰতি লাখত ২১ জনলৈ হ্ৰাস পাইছে।

৪। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰায়পুৰত অনুষ্ঠিত হ'ব।

*আৰু*

৫। তামিলনাডুৰ মাডুৰাইত চলি থকা পুৰুষৰ এফ আই এইচ জুনিয়ৰ হকী বিশ্বকাপত ভাৰতে ছুইজাৰলেণ্ডক ৫-০ গলত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

সংসদত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ লগতে নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত দুয়ো পক্ষই আলোচনাৰ বাবে সন্মত হোৱাৰ পাছত চৰকাৰ আৰু বিৰোধী দলসমূহৰ মাজৰ অচলাৱস্থা দূৰ হৈছে। দুদিন ধৰি চলা হুলস্থূলীয়া পৰিৱেশ আৰু বিশৃংখলাতৰ পাছত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কাৰ্যকৰী পৰামৰ্শ সমিতিৰ এখন বৈঠকত অহা ৯ আৰু ১০ ডিচেম্বৰত সংসদৰ নিম্ন সদনত নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত ১০ ঘণ্টা জোৰা আলোচনাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই বৈঠকতে ৮ ডিচেম্বৰত দিনৰ ১২ বজাৰ পৰা বন্দে মাতৰমৰ ডেৰশ সংখ্যক বাৰ্ষিকী সন্দৰ্ভতো বিশেষ আলোচনা কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ ৰাষ্ট্ৰীয় সংগীতৰ ডেৰশ সংখ্যক বাৰ্ষিকী উপলক্ষে অনুষ্ঠিত বিশেষ আলোচনা শুভাৰম্ভ কৰাৰ কথা। ৯ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধন সন্দৰ্ভত আলোচনা বিচাৰি বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থূল আৰু বাৰে বাৰে সদন স্থগিত কৰিবলগীয়া পৰিস্থিতি সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সংসদীয় গণতন্ত্ৰত নিৰ্বাচন প্ৰক্ৰিয়া অত্যন্ত গুৰুত্বপূৰ্ণ বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। তেওঁ কয় যে, সকলো দলে বৰ্তমান আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। শ্ৰীৰিজিজুৱে কয়, যে নিৰ্বাচনী আয়োগৰ সংস্কাৰসমূহ অতি ব্যাপক আৰু

ই এটা প্ৰশাসনীয় বিষয়। চৰকাৰে ইয়াক পৰিচালনা কৰে আৰু সংসদত এই সম্পৰ্কে আলোচনা কৰা হয় বুলিও তেওঁ কয়।

ooooo

আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি নতুন দিল্লীত বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তি আৰু প্ৰতিস্থানসমূহক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিব। বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণ, সমৰ্পন তথা তেওঁলোকৰ সাহসৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এই অনুষ্ঠানত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰী, বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণ মন্ত্ৰালয়ৰ বিষয়া, জ্যেষ্ঠ ৰাজনীতিবিদ, বিভিন্ন উদ্যোগৰ অংশীদাৰসকলৰ লগতে ভালেমান গণ্যমান্য ব্যক্তি উপস্থিত থকাৰ কথা।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি নৌসেনাৰ অভিযানমূলক প্ৰদৰ্শনী মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাত উদ্দেশ্যে আজি বিয়লি থিৰুৱনন্তপুৰমত উপস্থিত হ'ব। আমাৰ সংবাদদাতাই জনাইছে যে বিয়লি থিৰুৱনন্তপুৰম আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হোৱাৰ পাছত তেওঁ শ্বাংগুমুঘাম সাগৰ তীৰত হবলগীয়া অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তাত ৰাষ্ট্ৰপতিগৰাকীক MH 60 R হেলিকপ্টাৰখনে গ্ৰেণ্ড চেলুট প্ৰদান কৰিব ।

এই প্ৰদৰ্শনীত নৌসেনাৰ শক্তি আৰু যুদ্ধৰ প্ৰস্তুতিৰ ওপৰত আলোকপাত কৰা হ'ব, য'ত যুদ্ধ বিমান আৰু নিৰীক্ষণকাৰী বিমানকে ধৰি ১৯খন ডাঙৰ যুদ্ধজাহাজ আৰু ৩২খন বিমান প্ৰদৰ্শন কৰা হ'ব। অনুষ্ঠানৰ অন্তত ৰাষ্ট্ৰপতিগৰাকী লোকভৱনলৈ যাব আৰু কাইলৈ পুৱা দিল্লীলৈ উভতি যাব।

ooooo

ভাৰতত যক্ষ্মা ৰোগত মৃত্যু হোৱাৰ লোকৰ হাৰ ২০১৫ চনত প্ৰতি ১ লাখত ২৮ জনৰ পৰা ২০২৪ চনত প্ৰতি লাখত ২১ জনলৈ হ্ৰাস পাইছে বুলি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে। টি বি মুক্ত ভাৰত অভিযানৰ বিষয়ে নতুন দিল্লীত সদনৰ সম্প্ৰসাৰিত ভৱনৰ সভাগৃহত অনুষ্ঠিত বৈঠকত সাংসদসকলক উদ্দেশ্যি দিয়া এটা ভাষণত শ্ৰীনাড্ডাই যক্ষ্মা ৰোগ নিৰ্মূলৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত সাংসদসকলে আগবঢ়োৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়েও উল্লেখ কৰে। তেওঁ সাংসদসকলক তেওঁলোকৰ সংশ্লিষ্ট সমষ্টিসমূহত এই অভিযানৰ অগ্ৰগতি নিৰীক্ষণ কৰিবলৈ আহ্বান জনায়। এই ৰোগ সন্দৰ্ভত সজাগতা বৃদ্ধি, ভুল ধাৰণা হ্ৰাস কৰা আৰু যক্ষ্মা মুক্ত অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ সমাজৰ সকলো শ্ৰেণীৰ লোককে উদ্বুদ্ধ কৰিবলৈও সাংসদসকলক শ্ৰীনাড্ডাই অনুৰোধ জনায়। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি উত্তৰ প্ৰদেশৰ প্ৰায় ৬০ গৰাকী সাংসদে টি বি মুক্ত ভাৰত অভিযানত অংশগ্ৰহণ কৰি নিজ নিজ সমষ্টিত এই ক্ষেত্ৰত প্ৰয়োজনীয় সহযোগ আগবঢ়োৱাৰ বাবে প্ৰতিশ্ৰুতি আগবঢ়ায়। সাংসদসকলক যক্ষ্মা ৰোগত নিৰ্মূলৰ বাবে বিগত ১০ বছৰত গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়েও অৱগত কৰোৱা হয়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কয়, যে ৭০ জনৰো অধিক চিকিৎসা আৰু সহায়ক কৰ্মী, আৰু অত্যাৱশ্যকীয় বাহনৰ সৈতে এখন স্বয়ংসম্পূৰ্ণ মডিউলাৰ ফিল্ড হস্পিতাল কঢ়িয়াই নিয়া ভাৰতীয় বায়ুসেনাৰ C-17 শ্ৰেণীৰ পৰিবহণ বিমান কালি কলম্বোত অৱতৰণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° জয়শংকৰে উল্লেখ কৰে যে ভাৰতে শ্ৰীলংকাৰ বান সাহায্যৰ প্ৰচেষ্টালৈ সমৰ্থন অব্যাহত ৰাখিছে। ইফালে ভাৰতীয় বায়ুসেনাৰ Mi-17 হেলিকপ্টাৰে ৮ টনৰো অধিক সাহায্য সামগ্ৰী বিমানযোগে লৈ যোৱাৰ লগতে বিদেশী নাগৰিক, সংকটজনক অৱস্থাত থকা ৰোগী আৰু এগৰাকী গৰ্ভৱতী মহিলাকে ধৰি ৬৫ জন জীৱিত লোকক নিৰাপদ ঠাইলৈ স্থানান্তৰিত কৰা বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ে জানিবলৈ দিয়ে।

০০০০০

ভাৰতক প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন সহায়ক প্ৰতিষ্ঠান আইডিয়াত অধ্যক্ষতাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে আজি ছুইডেনৰ ষ্টকহ'মত হ'বলগীয়া অনুষ্ঠানত অধ্যক্ষতা কৰিব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে সমগ্ৰ বিশ্বত আজি ভাৰত নিৰপেক্ষ, স্বতন্ত্ৰ আৰু সফলতাৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে পৰিচিত হৈ উঠিছে। ভাৰতক ইয়াত অধ্যক্ষতা কৰিবৰ বাবে আমন্ত্ৰণ জনোৱা কাৰ্যক দেশখনৰ সকলো নাগৰিক আৰু নিৰ্বাচনী কাম-কাজত নিয়োজিত কৰ্মচাৰীসকলৰ বাবে অতি গৌৰৱৰ মুহূৰ্ত বুলি তেওঁ উল্লেখ কৰে। ১৯৯৫ চনত স্থাপন হোৱা এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠান এটা আন্তঃচৰকাৰী সংস্থা আৰু সম্প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপান নিৰীক্ষক হিচাপে ইয়াত অন্তৰ্ভুক্ত হৈ থকাৰ লগতে ৩৭ খন ৰাষ্ট্ৰ ইয়াৰ সদস্য। ভাৰত এই প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক সদস্য হোৱাৰ লগতে প্ৰশাসনিক ব্যৱস্থা, গণতান্ত্ৰিক গৱেষণা, দক্ষতা বিকাশ আৰু বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচীত সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াই আহিছে।

০০০০০

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় ঘাইপথত দূৰসংযোগ আধাৰিত সুৰক্ষা সতৰ্কতা প্ৰণালী স্থাপন কৰাৰ বাবে ৰিলায়েন্স জিঅ'ৰ সৈতে এখন চুক্তিত স্বাক্ষৰ কৰিছে। পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ৰাষ্ট্ৰীয় ঘাইপথেৰে অহা-যোৱা কৰাসকলক সময়মতে তথ্য যোগান ধৰি পথ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাই এই উদ্যমৰ মূল উদ্দেশ্য। ইয়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথ ব্যৱহাৰ কৰাসকলে দুৰ্ঘটনাৰ আশংকাৰ পূৰ্বেই বাহনৰ গতি আৰু বাহন চালন আচৰণ ঠিক কৰিব পাৰিব। ইয়াৰ অধীনত যাত্ৰীসকলে এছ এম এছ, ৱাটছএপ আৰু উচ্চ অগ্ৰাধিকাৰ কলৰ জৰিয়তে মোবাইল ফোনযোগে আগতীয়া সতৰ্কতা লাভ কৰিব। ইয়াৰ পিছত পৰ্যায়ক্ৰমে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ ডিজিটেল মঞ্চসমূহক একীকৃত কৰা হ'ব।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব।

প্ৰথমখন এদিনীয়াত ভাৰতে ১৭ ৰানত বিজয় সাব্যস্ত কৰি শৃংখলাটোত সম্প্ৰতি ১-০ৰ অগ্ৰগতি লাভ কৰিছে। খেলখনত প্ৰথমে বেট ধৰি বিৰাট কোহলিৰ অনবদ্য শতকৰ সহায়ত ভাৰতে ৮টা উইকেটৰ বিনিময়ত ৩৪৯ ৰান সংগ্ৰহ কৰিছিল। কুলদ্বীপ য়াদৱে ৪টা উইকেট দখল কৰে। ৰাঁচীত অনুষ্ঠিত এই খেলতে ৰোহিত শৰ্মাই এদিনীয়া ক্ৰিকেটত শ্বাহিদ আফ্ৰিদীৰ ৩৫১টা ছিক্সাৰৰ অভিলেখ পাৰ কৰি শীৰ্ষস্থানলৈ অগ্ৰসৰ হয়। ইপিনে, ৰো-কো অৰ্থাৎ ৰোহিত শৰ্মা আৰু বিৰাট কোহলিয়ে একেলগে বৰ্তমান ৩৯২ খন আন্তঃৰাষ্ট্ৰীয় খেলত অংশগ্ৰহণ কৰাৰ নতুন অভিলেখো স্থাপন হয়। শচীন তেণ্ডুলকাৰ আৰু ৰাহুল দাবিড়ৰ ৩৯১ খন খেলক পিছ পেলাই তেওঁলোকে এই অভিলেখ গঢ়ে।

০০০০০

তামিলনাডুৰ মাদুৰাই আন্তঃৰাষ্ট্ৰীয় হকী ষ্টেডিয়ামত অনুষ্ঠিত এফ আই এইচ জুনিয়ৰ হকী বিশ্বকাপত পুৰুষৰ এখন খেলত ভাৰতে ছুইজাৰলেণ্ডক ৫-শূন্য গ'লত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আয়োজক দল ভাৰতে এই পৰ্যন্ত তিনিখন খেলৰ পৰা ৯ পইণ্ট লাভ কৰি পুল বিৰ শীৰ্ষত থাকে। ৰোহিত নেতৃত্বাধীন ভাৰতে শুকুৰবাৰে চেন্নাইত বেলজিয়ামৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হব। ভাৰতে জুনিয়ৰ হকী বিশ্বকাপত দুবাৰকৈ জয়লাভ কৰিছে।

ইফালে, প্ৰতিযোগীতাত মহিলাৰ শাখাত আজি চিলিৰ ছান্টিয়াগোত হ'বলগীয়া দ্বিতীয়খন নক আউট খেলত ভাৰতে জাৰ্মানীৰ বিৰুদ্ধে অৱতীৰ্ণ হব। ইয়াৰ পূৰ্বে সোমবাৰে ভাৰতে নামিবিয়াৰ বিৰুদ্ধে ১৩-০ গলত জয়লাভ কৰি নিজৰ অভিযান আৰম্ভ কৰিছিল। বৰ্তমান ভাৰত পুল চি-ৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। ইফালে সোমবাৰে জাৰ্মানীয়ে প্ৰথমখন পুল মেচত আয়াৰলেণ্ডৰ বিৰুদ্ধে ৭-১ গ'লত জয়লাভ কৰে।

০০০০০

**সমাপ্ত**